হিমালয়ৰ প্ৰান্তে প্ৰান্তে

LIBRARY SERVICES
GUWAHATI

অখিল কুমাৰ ভূঞাঁ

Himalayar Pranta Prante : *An Assamese Travelogue by Anil Kumar Bhuyan, Published by Hemanta Kumar Das, Bijni, Assam. 1st. Edition Dec. 1989. Price Rs. 25·00 only.*

প্ৰকাশক :
হেমন্ত কুমাৰ দাস
বিজনী
অসম

প্ৰথম প্ৰকাশ :
ডিচেম্বৰ, ১৯৮৯ ইং

বেটুপাত :
এড্‌ৱাৰ্ল্ড্ এড্‌ভাৰ্টাইজিং
গুৱাহাটী

মুদ্ৰক :
শ্ৰীভুবন দাস
লক্ষ্মী প্ৰেছ
বৰপেটা
অসম

মূল্য : ২৫·০০ টকা

উৎসৰ্গা

সত্ৰীয়া সংস্কৃতিৰ সাধক

৺নৰহৰি বুঢ়াভকতৰ

পবিত্ৰ স্মৃতিত অৰ্পণ

কৰিলোঁ।।

—অনিল—

আগকথা

কিবা লেখা-মেলা কৰাৰ কথা ওলালে বহুতেই কয়—'মইতো সাহিত্যিক নহওঁ! কেনেকৈ লেখো, কি লেখো?' কিন্তু দেখা যায় যে কলম ধৰিলে তেওঁলোকেও নিজে ভবাতকৈ, হয়তোবা আনে ভবাতকৈও বেছি ভালকৈ লেখিব পাৰে। প্ৰত্যেকজন মানুহৰে অনুভব-উপলব্ধি, অভিজ্ঞতা, দৃষ্টি আৰু দৰ্শনৰ মূল্য আছে। অৱশ্যে প্ৰকাশিকা শক্তিয়ে সকলোৰে থাকিব তেনে নহয়। যিসকলৰ প্ৰকাশ-ক্ষমতা কিছু হলেও আছে তেওঁলোকৰ ক্ষেত্ৰত প্ৰকাশৰ কিবা অলপ হীন-ডেটি হলেও লেখনীৰ মূল্য নোহোৱা নহয়। অৱশ্যে এইটো ঠিক যে সাহিত্যিক মান বা গুণাগুণ বোলা কথা আছে। কিন্তু প্ৰকাশভংগী উচ্চ পৰ্য্যায়ৰ নহলেও বা সাহিত্যিক মানৰ ফালৰ পৰা উৎকৃষ্ট পৰ্য্যায়ৰ নহ'লেও লেখক-লেখিকা সকলৰ স্ব স্ব অভিজ্ঞতা সম্বলিত ৰচনাৰ স্বকীয় মূল্য আছে।

'মইতো লেখিব নাজানো—মোৰতো প্ৰকাশৰ ভাষা নাই'—এনে এক বিনয়-নম্ৰ ভাব ব্যক্ত কৰিয়েই শ্ৰীমান অনিল ভূঞাঁই 'হিমালয়ৰ প্ৰান্তে প্ৰান্তে'খন দি পঢ়ি চাবলৈ কৈছিল। কিন্তু অনিলৰ যে পৰ্য্যবেক্ষণ ক্ষমতা আৰু প্ৰকাশিকা শক্তি আছে এই কিতাপেই তাৰ সাক্ষ্য।

তুলনামূলক ভাবে অসমীয়া মানুহৰ ভ্ৰমণ-লিপ্সা কম। আমাৰ ভ্ৰমণমূলক সাহিত্যও একেবাৰে সীমিত। অনিল ভূঞাঁৰ এটা ভ্ৰমণোৎসুক মন আছে। যথেষ্ট কষ্ট স্বীকাৰ কৰিও ভ্ৰমণৰ মাজেদি আনন্দ লাভৰ প্ৰয়াসী তেওঁ। 'হিমালয়ৰ প্ৰান্তে প্ৰান্তে" নামৰ প্ৰায় ১৭০ পৃষ্ঠাৰ এই কিতাপখনত তেওঁ হিমালয়ৰ উত্তৰাখণ্ডৰ বিভিন্ন তীৰ্থস্থানৰ সুখপাঠ্য বিৱৰণ দাঙি ধৰিছে। হিমালয় প্ৰেমী

শ্ৰীমান অনিল গতানুগতিক তীৰ্থযাত্ৰীয়ে নহয়, এগৰাকী পৰ্য্যটনকাৰী ৰূপে হিমালয়ৰ মনোমুগ্ধকৰ ৰূপ-শোভা পানৰ নিমিত্তে আকুল-ব্যাকুল হোৱা তেওঁ এগৰাকী ৰূপতীৰ্থৰ যাত্ৰীও।

অপৰূপ ৰূপৰাশিৰে পৰিপূৰ্ণ হিমালয়ৰ এক বিস্তৃত অঞ্চল উত্তৰাখণ্ডৰ বিভিন্ন স্থানত লেখকে পৰিভ্ৰমণ কৰিছে। নিজ ভ্ৰমণত হোৱা চাক্ষুস দৰ্শনৰ লগতে অন্যান্য ভ্ৰমণ-সাহিত্য পঠনেও তেওঁৰ এই গ্ৰন্থ ৰচনাত সমল আৰু প্ৰেৰণা যোগাইছে নিশ্চয়। বিষয় বস্তুৰ ৰমণীয়তা, প্ৰকাশভংগীৰ আকৰ্ষণীয়তা, বৰ্ণনভংগীৰ সাৱলীলতাই কিতাপখন ৰসসমৃদ্ধ কৰি তুলিছে। নবীন লেখকৰ ভাবৰ গতি তৰঙ্গায়িত, কিন্তু ভাষা অসংযত নহয়; আবেগৰ উচ্ছ্বাস আছে কিন্তু বাহুল্য বিৱৰ্জিত। ঠাইত ঠাইত দুই এটি বাক্যৰ পুনৰাবৃত্তি ঘটিছে অৱশ্যে। কথন ভংগীৰ ঠাঁচত বৰ্ণনা ভংগীৰ স্বাভাবিক গতি ৰক্ষা কৰিবলৈ যাওঁতে কিতাপখনত দুই এটি শব্দ প্ৰয়োগ আৰু বাক্য গাঠনিত আসোঁৱাহ ৰৈ গৈছে। কিন্তু সাধাৰণভাবে পঢ়ুৱৰ যোগে কিতাপখনৰ ৰস গ্ৰহণত সেয়ে বাধাৰ সৃষ্টি নকৰে বুলিয়ে বিশ্বাস।

লেখকে গংগাৰ দেশত ভ্ৰমণ কৰিও ব্ৰহ্মপুত্ৰৰ দেশৰ কথা ভাবিছে। কিতাপখনৰ ঠায়ে ঠায়ে প্ৰাসংগিকভাবে খাপ খোৱাকৈ কীৰ্ত্তন ঘোষা বিহুগীত, জ্যোতি প্ৰসাদৰ গীতৰ কলিৰ উদ্ধৃতি, হিমালয়ৰ কেদাৰনাথ দোম শৃংগ আৰোহণ কৰি বিজয় বৈজয়ন্তী উত্তোলন কৰি ঘূৰি অহাৰ পথত তুষাৰ ধুমুহাত আক্ৰান্ত হৈ হিমালয়ৰ বুকুত বৰফৰ মাজত চিৰ শয়ন কৰা ৰোহিনী ভূঞাৰ উল্লেখ ইত্যাদিয়ে উত্তৰাখণ্ডৰ ভ্ৰমণ-কাহিনী অসমীয়া পাঠকৰ নিমিত্তে বুকুৰ আপোন কৰি তুলিব।

ভাব অনন্ত, ভাষা সীমাবদ্ধ। দৃশ্যমান জগতৰ অনিৰ্বচনীয় ৰূপ-সৌন্দৰ্য্য বৰ্ণনাৰ অতীত। তথাপি মানুহে ভাষাৰ মাধ্যমেদি

চেষ্টা কৰে প্ৰকাশৰ ৰূপ দিবলৈ। শ্ৰীমান অনিলেও তেওঁৰ ভ্ৰমণ-সুখ আনন্দ-অভিজ্ঞতাৰ স্বাদ সহযাত্ৰী মানবক দিব বিচাৰিছে এই পুথিৰ যোগেদি। শব্দ-বাক্যৰ সহায়েৰেই নেদেখা-নুশুনা ঠাই একোখনৰ বৰ্ণনাৰ দ্বাৰা পাঠকৰ মনত সজীৱ সমুজ্জলকৈ দৃশ্যমান ৰূপত দাঙি ধৰিব পৰাতেই ভ্ৰমণ সাহিত্যৰ সাৰ্থকতা। এই ক্ষেত্ৰত "হিমালয়ৰ প্ৰান্তে প্ৰান্তে"ৰ উদীয়মান লেখক বহুদূৰ কৃতকাৰ্য্য হৈছে বুলি কব পাৰি।

অসমীয়া ভ্ৰমণ-সাহিত্যৰ স্বল্পায়তন বিশিষ্ট ফুলনিলৈ "হিমালয়ৰ প্ৰান্তে প্ৰান্তে" ন-তুচ্ছ অৱদান। নবীন লেখকলৈ আমাৰ হিয়াভৰা ওলগনি আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁৰ পৰা এনেকুৱা আৰু বিবিধ ভ্ৰমণ কাহিনী পাম বুলি আশা কৰিলো।

ইতি—
শ্ৰীঅক্ষয় কুমাৰ মিশ্ৰ

গলিয়াহাটী
বৰপেটা
৮/১২/৮৯ ইং

পদুলি মুখত—

'হিমালয়ৰ প্ৰান্তে প্ৰান্তে' সেয়াবে পঢ়ুৱৈৰ হাতত দিলোঁ। হিমালয়ৰ অপাৰ সৌন্দৰ্য্যই সদায় হাত বাউলী দি মাতে। তাৰেই তাড়নাত সময় সুবিধা পালেই হিমালয়ৰ প্ৰান্তে প্ৰান্তে ঘূৰিছোঁ। হিমালয় সম্পৰ্কীয় কিতাপ পালেই পঢ়িছোঁ।

ছপাৰ ভুল অ'ত ত'ত থাকিল। পঢ়ুৱৈক অনুৰোধ কৰোঁ, তেওঁলোকে যেন শুধৰাই লয় আৰু অনিচ্ছাকৃত ভুলৰ বাবে যেন ক্ষমা কৰে।

শ্ৰদ্ধেয় শ্ৰীযুত অক্ষয় কুমাৰ মিশ্ৰদেৱে তেওঁৰ নানা কামৰ মাজতো কিতাপখনৰ নানা দিশ সজাই-পৰাই দিয়াত সহায় নকৰাহেঁতেন পঢ়ুৱৈৰ হাতত তুলি দিয়া সম্ভৱ নহলহেঁতেন। তেওঁৰ সহায় শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

লক্ষ্মী প্ৰেছৰ মালিক শ্ৰীযুত ভুবন দাস আৰু প্ৰেছৰ কৰ্মীবৃন্দৰ সহায়-সহযোগৰ কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বৰপেটা — অনিল কুমাৰ ভুঞা

১২ ডিচেম্বৰ, ১৯৮৯ ইং

ত্ৰৈলোক্য শৰ্মা (জান), ৰতন সাউদ, নবজিৎ দাস, মৃগেন দাস, পঙ্কজ মজুমদাৰ, দ্বিজেন দাস, গুণজিৎ দাস, কমল কিশোৰ, মুনা, ভিম্বেশ্বৰ মেধী, ফণীধৰ দাস, কল্যাণী—এওঁলোকৰ তাগিদাতে 'হিমালয়ৰ প্ৰান্তে প্ৰান্তে' লিখা হ'ল। এওঁলোককৈ ধন্যবাদ থাকিল।

—অনিল—

হিমালয়ৰ প্ৰান্তে প্ৰান্তে

প্ৰাকৃতিক সৌন্দৰ্য্য, প্ৰাচীন ধৰ্মানুষ্ঠান, ঐতিহাসিক সম্পদৰাজিৰ কাৰণে ভাৰতবৰ্ষৰ উত্তৰাঞ্চল সুদূৰ অতীতৰ পৰাই প্ৰসিদ্ধ। তীৰ্থযাত্ৰী, সংসাৰ ত্যাগী, বুৰঞ্জীবিদ, ভ্ৰমণকাৰী আদিৰ কাৰণে ভাৰতবৰ্ষৰ উত্তৰাঞ্চল স্বৰ্গভূমি। উত্তৰাঞ্চলৰ এক বিস্তৃত অঞ্চল অপাৰ ৰূপৰাশিৰে ভৰপূৰ বিশাল হিমালয়ৰ দ্বাৰা আবৃত। আকাশক চুমি থকা অসংখ্য হিম শিখৰ হিমালয়ৰ সৌন্দৰ্য্য।

ভাৰতৰ উত্তৰাঞ্চলৰ এক বিস্তৃত অঞ্চল আজিৰ উত্তৰ প্ৰদেশত। কাশী, মথুৰা, বৃন্দাবন, অযোধ্যা, এলাহাবাদ, আগ্ৰা, নাইনিতাল, ভাৱালী, সাততাল, ভীমতাল, নউকুচিয়াতাল, ৰামগড়, মুক্তেশ্বৰ, ৰাণীক্ষেত, চৌবাতিয়া, দ্বাৰহাট, মোহন, চুলতান, গৰজিয়া, ধিকালা, কৰবেট নেশনেল পাৰ্ক, ৰামনগৰ, আলমোড়া, আলতোৰা, জাগেশ্বৰ, লোহাঘাট, মায়াৱতী, চম্পাৱত, সোমেশ্বৰ কৌশানী, বৈজনাথ, বাগেশ্বৰ, কাপকোট, হৰিদ্বাৰ, ঋষিকেশ, ডেৰাডুন, মুচৌৰী, চক্ৰতা, নৰেন্দ্ৰ নগৰ, চাম্বা, টেহৰী, ধৰাসু, কল্যাণী, ব্ৰহ্মখাল, বাৰকোট, চাইনাচত্তী, হনুমানচত্তী, যমুনেত্ৰী, উত্তৰ কাশী, ভাটোৱাৰী, ঝালা, হাৰসিল, ধৰালি, ভৈৰৱঘাটি, গঙ্গোত্ৰী, চিৰবাসা, ভূজবাসা, গোমুখ, তপোবন, শ্ৰীনগৰ, দেৱপ্ৰয়াগ, ৰুদ্ৰপ্ৰয়াগ, কৰ্ণপ্ৰয়াগ, নন্দপ্ৰয়াগ, যোশীমঠ, বদ্ৰীনাথ, নন্দকানন (vally of flowers), হেমকুণ্ড, গৌৰীকুণ্ড, কেদাৰনাথ, পিণ্ডাৰী গ্লেচিয়াৰ, মিলান গ্লেচিয়াৰ, খাট্লিং গ্লেচিয়াৰ আৰু বহুতো হিমালয়ৰ হিম শিখৰ উত্তৰ প্ৰদেশতেই। এই ঠাই সমূহ বিশেষকৈ উত্তৰ প্ৰদেশৰ উত্তৰাখণ্ডৰ সমূহ অঞ্চলৰ প্ৰাকৃতিক পৰিবেশ অতুলনীয়। উত্তৰাখণ্ডৰ অৰ্থাৎ কুমায়ুন আৰু গাড়োৱাল